# পৰমাণু আৰু অণু

## পাঠ্যপুথিৰ অন্তগত প্ৰশ্নাবলী

**1. বিক্ৰিয়া এটাত 5.3 গ্ৰাম ছ'ডিয়াম কাৰ্বনেটে 6 গ্ৰাম ইথানয়িক এচিডৰ সৈতে বিক্ৰিয়া কৰিছিল। উৎপাদিত দ্ৰব্যবোৰ আছিল 2.2 গ্ৰাম কাৰ্বন ডাই অক্সাইড, 0.9 গ্ৰাম পানী আৰু 8.2 গ্ৰাম ছডিয়াম ইথানয়েট। দেখুওৱা যে ফলাফলবোৰ ভৰৰ নিত্যতা সূত্ৰ অনুযায়ী হৈছে।**

**ছডিয়াম কাৰ্বনেট + ইথানয়িক এচিড → ছডিয়াম ইথানয়েট + কাৰ্বন ডাই অক্সাইড + পানী**

উত্তৰঃ

বিক্ৰিয়াটোত বিক্ৰিয়কৰ মুঠ ভৰ = (5.3 + 6) গ্ৰাম
= 11.3 গ্ৰাম।

বিক্ৰিয়াজাত পদাৰ্থৰ মুঠ ভৰ = (2.2 + 0.9 + 8.2) গ্ৰাম
= 11.3 গ্ৰাম

অৰ্থাৎ বিক্ৰয়কৰ মুঠ ভৰ = বিক্ৰিয়াজাতৰ মুঠ ভৰ
গতিকে বিক্ৰিয়াটো ভৰৰ নিত্যতা সূত্ৰ অনুযায়ী হৈছে।

**2. হাইড্ৰজেন আৰু অক্সিজেন 1:8 অনুপাতত লগ লাগি পানী উৎপন্ন কৰে। 3 গ্ৰাম হাইড্ৰজেনৰ সৈতে সম্পূৰ্ণকৈ বিক্ৰিয়া কৰিবলৈ কিমান ভৰৰ অক্সিজেন প্ৰয়োন হব ?**

উত্তৰঃ

1 গ্ৰাম হাইড্ৰ'জেনে সম্পূৰ্ণকৈ বিক্ৰিয়া কৰে 8 গ্ৰাম অক্সিজেনৰ সৈতে।
গতিকে 3 গ্ৰাম হাইড্ৰ'জেনে সম্পূৰ্ণকৈ বিক্ৰিয়া কৰে 8 × 3 গ্ৰাম অক্সিজেনৰ সৈতে।

**3. ডেল্টনৰ পৰমাণুবাদৰ কোনটো স্বীকাৰ্য ভৰৰ নিত্যতা সূত্ৰৰ ফল ?**

উত্তৰঃ

পৰমাণুবোৰ অবিভাজ্য কণা যাক ৰাসায়নিক বিক্ৰিয়া এটাত সৃষ্টি বা বিনাশ কৰিব নোৱাৰি। নিৰ্দিষ্ট মৌলৰ পৰমাণুবোৰৰ ভৰ আৰু ৰাসায়নিক ধৰ্মসমূহ একেই। ডেল্টনৰ এই স্বীকাৰ্যটো ভৰৰ নিত্যতা সূত্ৰৰ ফল।

**4. ডেল্টনৰ পৰমাণুবাদৰ কোনটো স্বীকাৰ্যই স্থিৰানুপাত সূত্ৰটো বাখ্যা কৰিব। পাৰে ?**

উত্তৰঃ

নিৰ্দিষ্ট যৌগ এটাত পৰমাণুবোৰৰ আপেক্ষিক সংখ্যা আৰু প্ৰকাৰ স্থিৰ। থাকে। ডেল্টনৰ এই স্বীকাৰ্যটোৱে স্থিৰানুপাত সূত্ৰটো বাখ্যা কৰে।

**1. পাৰমাণৱিক ভৰ এককৰ সংজ্ঞা দিয়া।**

উত্তৰঃ

কাৰ্বন - 12 পৰমাণুৰ ভৰৰ $\frac{1}{12}$ অংশক এক পাৰমণৱিক ভৰ একক (Atomic Mass Unit বা a.m.u.) বোলা হয়।

**2. খালী চকুৰে পৰমাণু এটা দেখা সম্ভৱ নহয় কিয়?**

উত্তৰঃ

খালী চকুৰে পৰমাণু এটা দেখা সম্ভৱ নহয় কাৰণ পৰমাণুৰ আকাৰ $\frac{1}{10^9}$ মিটাৰ বা 1 নেনমিটাৰতকৈ সৰু।

**1. সংকেত লিখা।**

**(i) ছ'ডিয়াম অক্সাইড** **(ii) এলুমিনিয়াম ক্ল'ৰাইড**
**(iii) ছ'ডিয়াম ছালফাইড** **(iv) মেগনেছিয়াম হাইড্ৰক্সাইড**

উত্তৰঃ

**(i) ছ'ডিয়াম অক্সাইড**

| | | |
|---|---|---|
| চিহ্ন | Na | O |
| আধান | 1+ | 2 |
| সংকেত | $Na_2O$ | |

**(ii) এলুমিনিয়াম ক্ল'ৰাইড**

| | | |
|---|---|---|
| চিহ্ন | Al | CI |
| আধান | 3+ | 1+ |
| সংকেত | $AlC_2$ | |

**(iii) ছডিয়াম ছালফাইড**

| | | |
|---|---|---|
| চিহ্ন | Na | S |
| আধান | 1+ | 2- |
| সংকেত | $Na_2S$ | |

**(iv) মেগনেছিয়াম হাইড্ৰক্সাইড**

| | | |
|---|---|---|
| চিহ্ন | Mg | OH |
| আধান | 2+ | 1- |
| সংকেত | $Mg(OH)_2$ | |

**2. তলৰ সংকেতবোৰে বুজোৱা যৌগবোৰৰ নাম লিখা**

**(i) $Al_2(SO_4)_3$ (ii) $CaCl_2$ (iii) $K_2SO_4$ (iv) $KNO_3$ (v) $CaCO_3$**

উত্তৰঃ

(i) এলুমিনিয়াম ছালফেট
(ii) কেলছিয়াম ক্ল'ৰাইড

(iii) পটেছিয়াম ছালফেট
(iv) পটেছিয়াম নাইট্ৰেট
(v) কেলছিয়াম কাৰ্বনেট

**3. ৰাসায়নিক সংকেতৰ পদটোৰ দ্বাৰা কি বুজোৱা হৈছে ?**

**উত্তৰঃ**

ৰাসায়নিক সংকেতৰ পদটোৰ দ্বাৰা যৌগবোৰত থক মৌলৰ পৰমাণুৰ | সংখ্যা বুজোৱা হৈছে।

**4. (i) H,S অণুত আৰু, (ii) $PO^{3-}$ আয়নত কিমানটা পৰমাণু আছে?**

**উত্তৰঃ**

(i) $H_2S$ অণুত পৰমাণু = 3 টা
(ii) $PO3^{3-}{}_4$ আয়নত পৰমাণু = 5 টা

**1. আণৱিক ভৰ গণনা কৰা।**

**$H_2$, $O_2$, $Cl_2$, $CO_2$, $CH_4$, $C_2H_5$, $NH_3$ , $CH_3OH$**

**উত্তৰঃ**

(পাৰমাণৱিক ভৰ = পাঃ ভ্‌)
H,ৰ আণৱিক ভৰ = 2 x H ৰ পাঃ ভঃ
= 2 × 1u = 2u |

$O_2$ ৰ আণৱিক ভৰ = 2 x O ৰ পাঃ ভঃ
= 2 x 16u
= 32u

$Cl_2$ ৰ আণৱিক ভৰ = 2 x CI ৰ পাঃ ভঃ
= 2 x 35.5u
= 71u

**$CO_2$** ৰ আণৱিক ভৰ = C ৰ পাঃ ভঃ + 2 x 0 ৰ পাঃ ভঃ
= 12u + 2 X 16u
= (12 + 32)u
= 44u

$CH_4$ ৰ আণৱিক ভৰ = (C ৰ পাভে + 4 x H ৰ পাঃ ভঃ
= 12u + 4 x lu
= (12 + 4)u
= 16u

$C_2H_5$ ৰ আণৱিক ভৰ = 2 x C ৰ পাভ + 5 x H ৰ পাঃ ভঃ

= 2 x 12u + 5 x 1u
= 24u + 5u.
= 29u

$C_2H_4$ ৰ আণৱিক ভৰ = 2 x C ৰ পাঃ ভুঃ + 4 x H ৰ পাঃ ভঃ
= 2 x 12u + 4 x 1u
= 24u + 4u
= 28u

$NH_4$ ৰ আণৱিক ভৰ = N ৰ পাঃ ভুঃ + 3 x H ৰ পাঃ ভুঃ
= 14u + 3 x lu
= (14 + 3)u
= 17u

$CH_3OH_4$ ৰ আণৱিক ভৰ = C ৰ পাঃ ভঃ + 3 X H ৰ পাঃ ভুঃ + 0 ৰ পাঃ ভঃ + H ৰ পাঃ ভঃ
= 12u + 3 x 1u + 16u + 1u .
= (12 + 3 + 16 + 1)u
= 32u

**2. ZnO, $Na_2O$ আৰু $K_2CO_3$ ৰ সংকেত গোট ভৰ গনণা কৰা। প্ৰদত্ত পাৰমাণৱিক ভৰবোৰ হ'ল -**
**Zn = 65u, Na = 23u, K = 39u, C = 12u, 0 = 16u**

উত্তৰঃ

ZnO ৰ সংকেত গোট ভৰ = Zn ৰ পাঃ ভঃ + O ৰ পাঃ ভঃ
= 65u + 16u
= 81u

$Na_2O$ ৰ সংকেত গোট ভৰ = 2 x Na ৰ পাঃ ভুঃ + O ৰ পাঃ ভঃ
= 2 x 23u + 16u
= (46 + 16)u
= 62u

$K_2CO_3$ ৰ সংকেত গোট ভৰ = 2 x K ৰ পাঃ ভঃ + C ৰ পাঃ ভঃ + 3 X O ৰ পাঃ ভঃ
= 2 x 39u + 12u + 3 X 16u
= (78 + 12 + 48)u
= 138u

**1. এক মল কাৰ্বন পৰমাণুৰ ভৰ 12 গ্ৰাম হলে 1 টা কাৰ্বন পৰমাণুৰ ভৰ (গ্ৰামত) কিমান হ'ব।**

উত্তৰঃ

1 ম'ল কাৰ্বন পৰমাণুৰ ভৰ = 12 গ্ৰাম

অৰ্থাৎ $6.022 \times 10^{23}$ টা অণুৰ ভৰ = 12 গ্ৰাম

1 টা অণুৰ ভৰ = $\frac{12}{6.022 \times 10^{23}}$ গ্ৰাম

**2. 100. গ্ৰাম ছডিয়াম বা 100 গ্ৰাম আইৰণৰ কোনটোত পৰমাণুৰ সংখ্যা বেছি থাকিব (দিয়া আছে পাৰমাণৱিক ভৰ Na = 23u, Fe = 56u)**

উত্তৰঃ

100 গ্ৰাম Na ৰ ম'লৰ সংখ্যা = $\frac{100}{23}$

∴ 100 গ্ৰাম Na ৰ অণুৰ সংখ্যা = $\frac{100}{23} \times 6.022 \times 10^{23}$

$= 2.6 \times 10^{24}$

100 গ্ৰাম Fe ৰ মলৰ সংখ্যা = $\frac{100}{56} \times 6.022 \text{ X } 1023 = 1.6 \times 10^{24}$

∴ 100 গ্ৰাম Na ৰ পৰমাণুৰ সংখ্যা বেছি।

# অনুশীলনী

**1. অক্সিজেন আৰু বৰণে গঠিত যৌগৰ নমুনা এটাৰ 0.24 গ্ৰাম বিশ্লেষণ কৰাত 0.096 গ্ৰাম বৰণ আৰু 0.144 গ্ৰাম অক্সিজেন পোৱা গৈছে। ভৰ হিচাপত যৌগটোৰ শতকৰা সংযুক্তি গণনা কৰা৷**

উত্তৰঃ

যৌগটোৰ ভৰ = 0.24

ব'ৰণ = 0.096

অক্সিজেন = 0.144

$$\therefore \text{ব'ৰণ} = \frac{0.096}{0.24} \times 100\%$$

$$= \frac{9.6}{24} \times 100\% = \frac{960}{24}\%$$

$$= 40\%$$

$$\text{অক্সিজেন} = \frac{0.144}{0.24} \times 100\%$$

$$= \frac{14.4}{24} \times 100\%$$

$$= \frac{1440}{24}\%$$

$$= 60\%$$

**2. 3 গ্ৰাম কাৰ্বন 8 গ্ৰাম অক্সিজেনৰ সৈতে দহন কৰাত 11 গ্ৰাম কাৰ্বন ডাই অক্সাইড উৎপন্ন হল। 3 গ্ৰাম কাৰ্বন, 50 গ্ৰাম অক্সিজেনৰ সৈতে দহন কৰিলে গঠন হোৱা কাৰ্বন ডাই অক্সাইডৰ ভৰ কিমান হ'ব? ৰাসায়নিক সংযোগৰ কোনটো বিধি তোমাৰ উত্তৰৰ ক্ষেত্ৰত প্ৰযোজ্য হয় ?**

উত্তৰঃ

3 গ্ৰাম কাৰ্বনে 8 গ্ৰাম অক্সিজেনৰ সৈতে বিক্ৰিয়া কৰি 11 গ্ৰাম কাৰ্বন ডাই অক্সাইড উৎপন্ন কৰে। গতিকে 3 গ্ৰাম কাৰ্বনে 8 গ্ৰাম অক্সিজেনৰ লগতহে বিক্ৰিয়া কৰে । 3 গ্ৰাম কাৰ্বন 50 গ্ৰাম অক্সিজেনৰ সৈতে দহন কৰিলেও 8 গ্ৰামৰ লগতহে বিক্ৰিয়া কৰিব। অৰ্থাৎ 11 গ্ৰাম কাৰ্বন ডাই অক্সাইড উৎপন্ন হ'ব। ৰাসায়নিক সংযোগৰ ভৰ নিত্যতা বিধি ইয়াত প্ৰযোজ্য হৈছে।

**3. বহুপাৰমাণৱিক আয়নবোৰ কি? উদাহৰণ দিয়া।**

উত্তৰঃ

একাধিক পৰমাণুৰ আধানযুক্ত গোট একোটাক বহুপাৰমাণৱিক আয়ন বোলা হয়।

যেনে– $NH^{+}_{4}$, $OH^{-}$, $NO^{-}_{3}$, $HCO^{-}_{3}$, $CO^{2-}_{3}$, আদি।

**4. তলত দিয়াবোৰৰ ৰাসায়নিক সংকেত লিখা**

**(a) মেগনেছিয়াম ক্ল'ৰাইড** **(b) কেলছিয়াম অক্সাইড**

**(c) কেলছিয়াম কাৰ্বনেট** **(d) এলুমিনিয়াম ক্ল'ৰাইড**

**(e) কপাৰ নাইট্ৰেট।**

উত্তৰঃ

(a) $MgCl_2$ , (b) CaO, (c) $CaCO_3$ , (d) $AlCl_3$ , (e) $Cu(NO_3)_2$

**5. তলৰ যৌগবোৰত থকা মৌলবোৰৰ নাম লিখা।**

**(a) পোৰাৰ চুণ** **(b) হাইড্ৰজেন ব্ৰমাইড**

**(c) বেকিং পাউদাৰ** **(d) পটেছিয়াম ছালফেট**

উত্তৰঃ

**(a) পোৰাৰ চুণঃ** কেলছিয়াম আৰু অক্সিজেন

**(b) হাইড্ৰজেন ব্ৰমাইডঃ** হাইড্ৰজেন আৰু ব্ৰমিন

**(c) বেকিং পাউদাৰঃ** ছ'ডিয়াম, হাইড্ৰজেন, কাৰ্বন আৰু অক্সিজেন

**(d) পটেছিয়াম ছালফেটঃ** পটেছিয়াম, ছালফাৰ আৰু অক্সিজেন।

**6. তলৰ পদাৰ্থবোৰৰ ম'লাৰ ভৰ গণনা কৰা**

**(a) ইথাইন ($C_2H_6$)** **(b) ছালফাৰ অণু $S_8$**

**(c) ফছ্ফৰাছ অণু $P_4$** **(d) হাইড্ৰ'ক্লৰিক এচিড. HCl**

**(e) নাইট্ৰিক এচিড $HN0_3$**

উত্তৰঃ

(a) $C_2H_6$ ৰ আণৱিক ভৰ = 2 x C ৰ পাঃভ + 6 x H ৰ পাভ

= (2 x 12 + 6 x 1) u

= 18u .

∴ $C_2H_6$ ৰ ম'লাৰ ভৰ = 18 গ্ৰাম,

(b) S ৰ আণৱিক ভৰ = 8 x s ৰ পাঃভ

= 8 x 32u

= 256u

∴ S ৰ ম'লাৰ ভৰ = 256 গ্ৰাম।

(c) P ৰ আণৱিক ভৰ = 4 x C ৰ পাঃভ

= 4 x 3lu = 124u

∴ P ৰ মলাৰ ভৰ = 124 গ্ৰাম

(d) HCI ৰ আণৱিক ভৰ = H ৰ পাঃভ + CI ৰ পাভ

= lu + 35.5u

∴ HC]ৰ ম'লাৰ ভৰ = 36.5 গ্ৰাম।

(e) $HNO_3$ ৰ আণৱিক ভৰ = H ৰ পাঃভ + N ৰ পাঃভ + 3 x O ৰ পাঃভ

$= 1u + 14u + 3 X 16u$
$= (1 + 14 + 48)u$
$= 63u$

∴ $HNO_3$,ৰ মলাৰ ভৰ = 63 গ্ৰাম।

**7, ভৰ কিমান?**

**(a) 1 মল নাইট্ৰজেন পৰমাণুৰ**

উত্তৰঃ

∴ N ৰ পাৰমাণৱিক ভৰ = 14u

N ৰ মলাৰ ভৰ = 14 গ্ৰাম,

∴ 1 মল নাইট্ৰজেন পৰমাণুৰ ভৰ = 14 গ্ৰাম।

**(b) 4 মল নাইট্ৰজেন পৰমাণুৰ ভৰ**

উত্তৰঃ

Al ৰ পাৰমাণৱিক ভৰ = 27u

∴ Al ৰ মলাৰ ভৰ = 27 গ্ৰাম।

∴ 1 মল Al পৰমাণুৰ ভৰ = 27 গ্ৰাম

∴ 4 মল Al পৰমাণুৰ ভৰ = 27 x 4 গ্ৰাম

= 108 গ্ৰাম

**(c) 10 মল ছ'ডিয়াম ছালফাইট ($Na_2SO_3$)ৰ**

উত্তৰঃ

$Na_2SO_3$ ৰ আণৱিক ভৰ ।

= 2 x Na ৰ পাঃভ + S ৰ পাঃভ + 3 x 0 ৰ পাভ

$= (2 x 23 + 32 + 3 x 16)u$

$= (46 + 32 + 48)u$

$= 126u$

$Na_2SO_3$,ৰ ম'লাৰ ভৰ = 126 গ্ৰাম

∴ 1 মল $Na_2SO_3$,ৰ ভৰ = 126 গ্ৰাম

∴ 10 ম'ল $Na_2SO_3$,ৰ ভৰ = 126 X 10 গ্ৰাম

= 1260 গ্ৰাম

**8. মললৈ পৰিৱৰ্তন কৰা**

**(a) 12 গ্ৰাম অক্সিজেন গেছ**

উত্তৰঃ

$O_2$,ৰ আণৱিক ভৰ = 2 x 16 গ্ৰাম
= 32 গ্ৰাম
∴12 গ্ৰাম 0,ত থকা ম'লৰ সংখ্যা $\frac{12}{32}$ = $\frac{3}{8}$

= 0.725

**(b) 20 গ্ৰাম পানী**
উত্তৰঃ
পানীৰ আণৱিক ভৰ = 2 x H ৰ পাভ + oৰ পাঃভ
= (2 X 1 + 16)u
= 18u

∴ 20 গ্ৰাম পানীত থকা ম'লৰ সংখ্যা = $\frac{20}{18}$ = $\frac{10}{9}$

= 1.11

**(c) 22 গ্ৰাম কাৰ্বন ডাই অক্সাইড**
উত্তৰঃ
$CO_2$,ৰ আণৱিক ভৰ = C ৰ পাভ + 2 x O ৰ পাঃভ
= 12u + 2 x 16u
= 12u + 32u = 44u
∴ 22 গ্ৰাম কাৰ্বন ডাই অক্সাইডত থকা মলৰ সংখ্যা $\frac{22}{44}$

= 0.5

**9. ভৰ কিমান ?**

(a) 0.2 মল অক্সিজেনৰ পৰমাণু
উত্তৰঃ
1 মল অক্সিজেন পৰমাণুৰ ভৰ = 16 গ্ৰাম
∴ 0.2 মল অক্সিজেন পৰমাণুৰ ভৰ = 16 x 0.2 গ্ৰাম
= 3.2 গ্ৰাম

**(b) 0.5 মল পানীৰ অণুত।**
উত্তৰঃ
$H_2O$ ৰ আণৱিক ভৰ = 2 x H ৰ পাঃভ + O ৰ পাভ
= (2 x 1 + 16)u
= 18u ..

∴ 1 মল $H_2O$ ৰ ভৰ = 18 গ্ৰাম
∴ 0.5 মল $H_2O$ ৰ ভৰ
= 18 x 0.5 গ্ৰাম
= 9 গ্ৰাম।

**10. 16 গ্ৰাম গোটা ছালফাৰত থকা ছালফাৰ অণু (S.)ৰ সংখ্যা গণনা কৰা**

উত্তৰঃ

$S_8$,ৰ আণৱিক ভৰ = 8 x 32u
= 256u
∴ $S_8$ ৰ ম'লাৰ ভৰ = 256 গ্ৰাম
∴ 256 গ্ৰাম $S_8$,ত থকা অণুৰ সংখ্যা = $6.022 \times 10^{23}$

1 গ্ৰাম $S_8$ ত থকা অণুৰ সংখ্যা = $\frac{6.022 \times 10^{23}}{256}$

∴ 16 গ্ৰাম $S_8$ ত থকা অণুৰ সংখ্যা = $\frac{6.022 \times 10^{23}}{256} \times 16$

$= \frac{6.022}{16} \times 10^{23}$
$= 0.3763 \times 10^{23}$
$= 3.763 \times 10^{22}$

**11. 0.051 গ্ৰাম এলুমিনিয়াম অক্সাইডত থকা এলুমিনিয়াম আয়নৰ সংখ্যা গণনা কৰা। (Al ৰ পাৰমাণৱিক ভৰ 27u)**

উত্তৰঃ

$Al_2O_3$ ৰ আণৱিক ভৰ = 2 x Al ৰ পাঃভ + 3 x O ৰ পাভ
= (2 x 27 + 3 x 16)u
= (54 + 48)u
= 102u
∴ $Al_2O_3$ ৰ ম'লাৰ ভৰ = 102 গ্ৰাম
∴ 102 গ্ৰাম $Al_2O_3$ ত থকা $Al^{2+}$ আয়ন = 2 টা

∴ 1 গ্ৰাম $Al_2O_3$ ত থকা $Al^{2+}$আয়ন = $\frac{2}{102}$ টা

∴ 0.051 গ্ৰাম $Al_2O_3$ ত থকা $Al^{2+}$ আয়ন = $\frac{0.051 \times 2}{102}$ টা

$= \frac{0.102}{102}$

$= 0.001$ টা